**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 03-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

পাঁচদিনীয়া বি টি চি ভ্ৰমণসূচীৰ প্ৰথম পৰ্যায়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আজি ওদালগুৰিত উপস্থিত হয়। মুখ্যমন্ত্ৰীয়ে ওদালগুৰি জিলাৰ আৰ্বৰ্তভৰনত অনুষ্ঠিত এখন বৈঠকত বিভিন্ন কল্যাণকামী আঁচনিৰ কামকাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। বৈঠকত ড০ শৰ্মাই অৰুণোদয় আঁচনিৰ জৰিয়তে যাতে দুখীয়া জনসাধাৰণ উপকৃত হ'ব পাৰে সেয়া নিশ্চিত কৰাৰ বাবে পদক্ষেপ ল'বলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। তেওঁ লগতে আগষ্টৰ পৰা ৰূপায়িত হ'বলগীয়া মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰো পৰ্যালোচনা কৰে। আঁচনিখনৰ চূড়ান্ত তালিকা প্ৰস্তুত কৰাৰ বিষয়ে বৈঠকত আলোচনা কৰা হয়।

বৈঠকৰ পূৰ্বে এখন সংবাদমেলত ড° শৰ্মাই অৰুণোদয় আঁচনিত জিলাখনৰ কেইবা হাজাৰ পৰিয়ালক নতুনকৈ সামৰি লোৱা হ'ব বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত আত্ম-সহায়ক গোটৰ ১ লাখ ৭ হাজাৰ গৰাকী মহিলা আৰু মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ আঁচনিৰ অধীনত প্ৰায় দুহেজাৰ গৰাকী যুৱক-যুৱতীক পাঁচ হাজাৰকৈ টকাৰ অনুদান আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে। একেদৰে এটি কলি দুটি পাত আঁচনিৰ অধীনতো চাহ শ্ৰমিকসকলক পাঁচ হাজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব।

জিলাখনৰ পাঁচ হাজাৰটা পৰিয়ালক নতুনকৈ ৰেচন কাৰ্ড প্ৰদান কৰা হ'ব বুলিও মুখ্যমন্ত্ৰী ড° শৰ্মাই সংবাদমেলত সদৰি কৰে। ছেপ্তেম্বৰত বি টি চি পৰিষদীয় চৰকাৰৰ সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু দুৰ্গাপূজাৰ পূৰ্বে ফলাফল ঘোষণা কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। ভূটানৰ পৰা ওদালগুৰি, তামুলপুৰ আৰু বাক্সা জিলালৈ পাইপলাইনযোগে খোৱাপানীৰ ব্যৱস্থা কৰা হ'ব বুলিও ড° শৰ্মাই অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে কাইলৈ তামুলপুৰ, ৫ জুলাইত বাক্সা, ৬ জুলাইত চিৰাং আৰু ৭ জুলাইত কোকৰাঝাৰ ভ্ৰমণ কৰিব। ৫ জুলাইত বাক্সাৰ জালাহত ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ দলীয় কৰ্মীৰ সৈতে বিটিচি নিৰ্বাচন সম্পৰ্কত তেওঁ মত বিনিময় কৰিব। বাক্সা জিলা প্ৰশাসনে এই কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে।

০০০০০

ৰাজ্যৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ৰাজভৱনত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যক সাক্ষাৎ কৰে আৰু উচ্চ শিক্ষা বিভাগৰ শেহতীয়া উদ্যম, প্ৰকল্প, নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে অৱগত কৰে। সাক্ষাৎকালত শিক্ষা মন্ত্ৰীগৰাকীয়ে সকলো বিশ্ববিদ্যালক ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ বিভিন্ন ব্যৱস্থা অনুযায়ী সাজু কৰি তোলাৰ বাবে লোৱা পদক্ষেপৰ বিষয়ে ৰাজ্যপালক অৱগত কৰে। বৈঠকত গুণগতমান, অন্তৰ্ভুক্তি আৰু গোলকীয় প্ৰতিযোগিতা অনুসৰি ৰাজ্যত শৈক্ষিক পৰিৱৰ্তনৰ নতুন যুগৰ সূচনা কৰাৰ বাবে

ৰাজ্য চৰকাৰে গ্ৰহণ কৰা দৃষ্টিভংগীৰ বিষয়ে আলোকপাত কৰা হয়। শিক্ষা বিভাগৰ প্ৰচেষ্টাৰ শলাগলৈ ৰাজ্যপাল আচাৰ্যই কয়, যে সঠিক উদ্যমৰ মাধ্যমেৰে অসম উচ্চ শিক্ষাৰ কেন্দ্ৰ হৈ উঠিব পাৰে।

০০০০০

হাইলাকান্দি জিলাই নীতি আয়োগৰ সমীক্ষাত দ্বিতীয় স্থান লাভ কৰি ৰাজ্যৰ বাবে গৌৰৱৰ বতৰা কঢ়িয়াই আনিছে। জিলাখনে নীতি আয়োগৰ ডেলটা ক্ৰম তালিকাত চলিত বৰ্ষৰ জানুৱাৰীৰ বাবে দ্বিতীয় স্থান লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সাফল্যৰ বাবে জিলা প্ৰশাসন তথা হাইলাকান্দিৰ জনসাধাৰণক অভিনন্দন জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এটা শুভেচ্ছা বাৰ্তা যোগে উন্নয়নৰ এই ধাৰা অনাগত সময়তো অব্যাহত থাকিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০

আৰক্ষীয়ে যোৰা নিশা বকো থানাৰ অন্তৰ্গত এটা কাঠৰ উদ্যোগত গোপন অভিযান চলাই চাৰিজন লোকক গ্ৰেপ্তাৰ কৰে। ধৃত লোক কেইজনক প্ৰণৱ মহন্ত, কেতু ৰাভা, শিৱাজিত বড়ো আৰু অমৃত আলী বুলি চিনাক্ত কৰা হৈছে। অভিযান কালত আৰক্ষীয়ে এটা পিষ্টল, দুটা ৰিভলভাৰ, এ কে ৪৭ৰ ২০০ জাই গুলী আৰু বিস্ফোৰক ভৰ্তি এটা টিনৰ বাকচ উদ্ধাৰ কৰে। কামৰূপ জিলাৰ ভাৰপ্ৰাপ্ত জিলা আৰক্ষী অধীক্ষক ৰেণু কুন্তলা শীতল কুমাৰে আজি এখন সংবাদমেলত এই কথা প্ৰকাশ কৰে।

০০০০০

মধ্য যোৰহাট আৰু উত্তৰ-পশ্চিম যোৰহাট সংহত শিশু উন্নয়ন সেৱা প্ৰকল্পৰ উদ্যোগত আজি যোৰহাট বিধানসভা সমষ্টিৰ অধীনৰ অংগনবাড়ী কেন্দ্ৰৰ কৰ্মী আৰু সহায়িকাসকলৰ মাজত ম'বাইল ফোন বিতৰণ কৰা হয়। অনুষ্ঠানত যোৰহাট বিধানসভা সমষ্টিৰ বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত ৰাজীৱ ৰয় আৰু জিলা সমাজকল্যাণ বিষয়া যতিশ বৰুৱা উপস্থিত থাকে।

০০০০০

প্ৰথম বড়োলেণ্ড চি ই এম কাপ ফুটবল প্ৰতিযোগিতাত ১৫ নম্বৰ কাজলগাঁও পৰিষদীয় সমষ্টি দলে চিৰাং জিলাৰ চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ৰৌমাৰি ডেৰহাছাৰ ষ্টেডিয়ামত আজি অনুষ্ঠিত চিৰাং জিলাৰ আন্তঃপৰিষদীয় সমষ্টি ভিত্তিক প্ৰতিযোগিতাৰ চূড়ান্ত খেলত ১৫ নম্বৰ কাজলগাঁও পৰিষদীয় সমষ্টি দলে ১৭ নম্বৰ ছুভাইজাৰ পৰিষদীয় সমষ্টি দলক ২-১ গলত পৰাভূত কৰে আৰু কোকৰাঝাৰত হ'বলগীয়া মূল পৰ্যায়ৰ খেলত অংশগ্ৰহণৰ সুযোগ লাভ কৰে। কাজলগাঁও দলৰ ইৰালাল বসুমতাৰীয়ে শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে।

০০০০০

এজবেষ্টন ক্ৰিকেট টেষ্টত শুভমন গীলৰ অধিনায়কোচিত বেটিঙৰ সহায়ত ভাৰতে প্ৰথম ইনিংছত ৫৮৭ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছে। এণ্ডাৰচন-তেণ্ডুলকাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টমেচৰ আজি দ্বিতীয় দিনা ভাৰতে কালি ৫ উইকেটত সংগ্ৰহ কৰা ৩১০ ৰানৰ পৰা পুনৰ খেলিবলৈ লৈ ষষ্ঠ উইকেটৰ যুটিত ১৬১-ৰ পৰা অভিলেখ সংখ্যক ২০৩ ৰান যোগ দিয়ে। ৰবীন্দ্ৰ জাদেজা ৮৯ ৰান কৰি টঙৰ বলত জেমি স্মিথৰ হাতত কেচ দি আউট হয়। অধিনায়ক শুভমন গীলে সৰ্বাধিক ২৬৯ ৰান আৰু যশস্বী জয়ছোৱালে ৮৭ ৰানৰ বৰঙণি আগবঢ়ায়।

০০০০০

সমাপ্ত